**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১।	সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ সমূহীয়া সংকল্পক প্ৰতিফলিত কৰাৰ উদ্দেশ্যে সাতটা সৰ্বদলীয় প্ৰতিনিধি দলৰ বিশ্বৰ ঘাই ঘাই ৰাষ্ট্ৰসমূহলৈ যাত্ৰা।

২।	অসমৰ বাবে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ অধীনত আৰু তিনি লাখ ৭৬ হাজাৰ বাসগৃহত আৱণ্টনৰ কথা ঘোষণা শিৱৰাজ সিং চৌহানৰ।

৩।	শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাজ্য চৰকাৰ আৰু বিনিয়োগকাৰীৰ মাজত চুক্তিপত্ৰ বিনিময় অনুষ্ঠান।

৪।	অপাৰেচন সিন্দূৰৰ সফলতা আৰু দেশৰ বীৰ সৈনিকসকলৰ বীৰগাঁথা প্ৰচাৰৰ আকাশবাণীৰ শৃংখলাত আজি প্ৰাক্তন এয়াৰমেন ধীৰেন সিংহৰ অভিমত।

**আৰু**

৫।	ইণ্ডিয়া গ্ৰাঁ পি 2 ত মহিলাৰ জেভলিন থ্ৰ'ত ৰুণজুন পেগুৰ ফাইনেলত সোণৰ পদক।

০০০০০০

সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ সমূহীয়া সংকল্পক প্ৰতিফলিত কৰি গ্ৰহণ কৰা অপাৰেচন সিন্দূৰৰ বিষয়ে জনোৱাৰ উদ্দেশ্যে সাতটা সৰ্বদলীয় প্ৰতিনিধি দলে বিশ্বৰ ঘাই ঘাই ৰাষ্ট্ৰসমূহ ভ্ৰমণ কৰিব। সৰ্বদলীয় প্ৰতিনিধিদলত অন্তৰ্ভুক্ত সাংসদসকলৰ বিষয়ে সদৰী কৰি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডাই নেতৃত্ব দিবলগীয়া প্ৰথম দলটোৱে চৌডি আৰব, বাহৰেন, কুৱেট আৰু আলজেৰিয়া ভ্ৰমণ কৰিব। এই প্ৰতিনিধি দলটোত বিজেপিৰ সাংসদ নিশিকান্ত ডুবে আৰু এ আই এম আই এমৰ সাংসদ আছাদুদ্দিন ওৱেইছিকো অন্তৰ্ভুক্ত কৰা হৈছে। বিজেপিৰ সাংসদ ৰবিশংকৰ প্ৰসাদে নেতৃত্বত দ্বিতীয়টো দল ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইউৰোপীয় সংঘ, ইটালী আৰু ডেনমাৰ্কলৈ যাব। জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝাৰ নেতৃত্বত তৃতীয়টো দলে ইণ্ডোনেছিয়া, মালয়েছিয়া, দক্ষিণ কোৰিয়া, জাপান আৰু ছিংগাপুৰ ভ্ৰমণ কৰিব। এই দলটোত তৃণমূল কংগ্ৰেছৰ ইউছুফ পাঠান আৰু চি পি আই এমৰ জন ব্ৰিটাছক অন্তৰ্ভুক্ত কৰা হৈছে। শিৱসেনাৰ সাংসদ শ্ৰীকান্ত একনাথ সিন্দে নেতৃত্বাধীন চতুৰ্থটো দল সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ইউ এ ই, লাইবেৰিয়া, কংগো আৰু ছিয়েৰা লিঅ'নলৈ যাব। এই দলটোত বিজেপিৰ বান্সুৰী স্বৰাজ আৰু বিজেডিৰ সস্মিত পাত্ৰক অন্তৰ্ভুক্ত কৰা হৈছে। কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বত পঞ্চমটো দলে আমেৰিকা যুক্তৰাষ্ট্ৰ, পানামা, গায়ানা, ব্ৰাজিল আৰু কলম্বিয়া ভ্ৰমণ কৰিব। ডি এম কেৰ সাংসদ কাণিমড়ি কৰুনানিধিৰ নেতৃত্বত ষষ্ঠটো দল

স্পেইন, গ্ৰীচ, শ্লোভেনিয়া, লাটভিয়া আৰু ৰাছিয়ালৈ যাব। এন চি পিৰ শাৰদ পাৱাৰ গোটৰ সাংসদ সুপ্ৰিয়া সুলে নেতৃত্বাধীন সপ্তমটো গোট ইজিপ্ত, কাটাৰ, ইথিঅ'পিয়া আৰু দক্ষিণ আফ্ৰিকালৈ যাব। বিজেপিৰ ৰাজীৱ প্ৰতাপ ৰুডী আৰু অনুৰাগ সিং ঠাকুৰৰ লগতে কংগ্ৰেছ সাংসদ মনিষ তিৱাৰীকো এই গোটটোত অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে দৰিদ্ৰতা মুক্ত গাঁও সুনিশ্চিত কৰাৰ বাবে কাম কৰি আছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কালি প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ অধীনত অসমৰ বিভিন্ন প্ৰান্তত নিৰ্মাণ কৰা ৫৫ হাজাৰ বাসগৃহৰ গৃহ প্ৰৱেশ অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে চলিত বিত্তীয় বৰ্ষত অসমৰ বাবে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ অধীনত আৰু তিনি লাখ ৭৬ হাজাৰ বাসগৃহত আৱণ্টন জনোৱাৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে গ্ৰামাঞ্চলৰ আন্তঃগাঁথনি আৰু উপান্ত শ্ৰেণীৰ জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে মহিলাসকলৰ সৱলীকৰণৰ আৱশ্যকতাৰ গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে **লখিমী মিস্ত্ৰী** আঁচনিৰ লগতে ২১ টা কৃষি জ্ঞান কেন্দ্ৰৰো শুভাৰম্ভ কৰে।

০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সফল ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ভিন্ন কাৰ্যসূচী হাতত লৈছে। ৰাজ্য চৰকাৰ আৰু বিনিয়োগকাৰীসকলৰ মাজত চুক্তিপত্ৰ বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি শক্তি বিভাগত যুটীয়া পদক্ষেপৰ উদ্বোধন আৰু ভূমি আৱণ্টন কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই কাৰ্যসূচীত ৰাজ্য চৰকাৰ আৰু বিনিয়োগকাৰীসকলৰ মাজত ২২ হাজাৰ ৮৯৯ কোটি টকাৰ চুক্তিৰ বিনিময় সম্পন্ন হ'ব। এই বিনিয়োগৰ দ্বাৰা ৰাজ্যত প্ৰায় ছহেজাৰ নতুন নিয়োগ সৃষ্টি হ'ব বুলি আশা কৰা হৈছে।

০০০০০০

সেনা বাহিনীয়ে সিন্দূৰ অভিযানৰ সফল ৰূপায়নেৰে বিশ্বৰ সন্মুখত পুনৰ দেশৰ সামৰিক সামৰ্থ প্ৰমাণ কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত অপাৰেচেন সিন্দূৰ আৰু ভাৰতীয় সেনাবাহিনীৰ পৰাক্ৰমৰ সম্পৰ্কীয় এটা বাৰ্তালাপত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ পলাশ চৌধুৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্নেল দীপক চক্ৰৱৰ্তীয়ে কালি এইদৰে প্ৰকাশ কৰে।

অনুষ্ঠানত অৱসৰপ্ৰাপ্ত কৰ্নেল দীপক চক্ৰৱৰ্তীয়ে শ্ৰীলংকাত ভাৰতীয় শান্তিৰক্ষী বাহিনীয়ে এল টি টি ইৰ বিৰুদ্ধে পালন কৰা ভূমিকা সন্দৰ্ভত এইদৰে কয়–

***(বাইট ঃ দীপক চক্ৰৱৰ্তী)***

অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ পলাশ চৌধুৰীয়ে অনুষ্ঠানত ভাৰতৰ বাবে বিশ্বৰ সৰ্বোচ্চ যুদ্ধক্ষেত্ৰ হিচাপে পৰিচিত চিয়াচেন গ্লেচিয়াৰৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। চিয়াচেন গ্লেচিয়াৰৰ গুৰুত্ব সন্দৰ্ভত তেওঁ কয়–

***(বাইট ঃ পলাশ চৌধুৰী)***

০০০০০০

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত ভাৰতীয় সেনাবাহিনীয়ে লাভ কৰা সফলতাৰ পটভূমিত দেশৰ হকে অপৰিসীম সাহসেৰে যুঁজ দিয়া ৰাজ্যখনৰ প্ৰাক্তন সৈনিক, তেওঁলোকৰ পৰিয়াল আৰু সমাজৰ নেতৃস্থানীয় লোকৰ মতামত প্ৰচাৰৰ শৃংখলাত আজি আমি লগ পাওঁ আহক ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধত অংশগ্ৰহণ কৰা বায়ুসেনাৰ প্ৰাক্তন এয়াৰমেন বজালী জিলাৰ অকয়াৰ ধীৰেন সিংহক। ৭৩ বছৰীয়া প্ৰাক্তন সৈনিকগৰাকীয়ে ১৯৭১ চনৰ যুদ্ধত বায়ুসেনাৰ পাঠানকোট গোটে কিদৰে পাঠানকোটৰ পৰা মাত্ৰ ছয় কিলোমিটাৰ দূৰৈত সীমান্তত বাহাৰ পতা পাকিস্তানী শত্ৰুক নিধন কৰিছিল সেই বিষয়ে আমাৰ বজালীৰ সংবাদদাতাৰ আগত এনেদৰে কয়-

*(বাইট)*

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৩০ মিনিটৰ বিশেষ সংবাদ চলন্তিকাত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন গোস্বামীৰ সৈতে কথোপকথন প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰিষদৰ অধীনৰ সকলো বিদ্যালয়ত ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ পঞ্জীয়ন আজিৰ পৰা ২৪ মে'লৈ পুনৰ মুকলি কৰা হ'ব বুলি ঘোষণা কৰিছে। এই অনলাইন পঞ্জীয়ন ১৫ মে'ত বন্ধ কৰি দিয়া হৈছিল। পৰিষদে নিৰ্দেশনাৰ জৰিয়তে ধন আদায় দিয়াৰ শেষ তাৰিখ ২৮ মে'লৈ আৰু চূড়ান্ত তালিকা প্ৰকাশৰ তাৰিখ ৩১ মে'লৈ বৃদ্ধি কৰা বুলি প্ৰকাশ কৰিছে।

২০২৫-২৬ শিক্ষাবৰ্ষৰ বাবে নৱম শ্ৰেণীৰ পঞ্জীয়নৰ সময়সীমা ২৪ মে'লৈ বৃদ্ধি কৰাৰ কথাও বিদ্যালয় শিক্ষা পৰিষদে ঘোষণা কৰিছে। এই সন্দৰ্ভত পৰিষদৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি নৱম শ্ৰেণীৰ অনলাইন পঞ্জীয়ন প্ৰক্ৰিয়া আজিৰ পৰা ২৪ মে'লৈ মুকলি থাকিব আৰু বিদ্যালয়সমূহে ২৮ মে' পৰ্যন্ত যাৱতীয় মাচুল পৰিশোধ কৰিব পাৰিব। সেই অনুসৰি সকলো বিদ্যালয়ক নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত পঞ্জীয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

000000

ৰাজ্যৰ প্ৰতিভাবান খেলুৱৈ ৰুণজুন পেগুৱে ইণ্ডিয়া গ্ৰাঁ পি 2 ত মহিলাৰ জেভলিন থ্ৰ'ৰ ফাইনেলত সোণৰ পদক অৰ্জন কৰিছে। কেৰালাৰ ত্ৰিবান্দমত এল এন চি পি ই-ত কালি অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত ৰুণজুনে ৪২ দশমিক ৯ - ৬ মিটাৰলৈ জেভলিন নিক্ষেপ কৰি সোণৰ পদক জয় কৰে।

000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা এম চিন্নাস্বামী ষ্টেডিয়ামত ৰয়েল ছেলঞ্জাৰ্ছ বেংগালুৰু আৰু কলকাতা নাইট ৰাইদাৰ্ছৰ মাজত হ'বলগীয়া খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰাত যোৱাবাৰৰ চেম্পিয়নছ কলকাতা প্ৰতিযোগিতাৰ এইবাৰৰ সংস্কৰণৰ পৰা বাহিৰ হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ, পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ডেলহী কেপিটেলছ গুজৰাট টাইটানছৰ সন্মুখীন হ'ব।

oooooo

NPR/RNU

বাংলাদেশে শিলিগুৰি কৰিডৰ দখলৰ ভাবুকি সৃষ্টি কৰা আৰু পাকিস্তানী মৌলবাদী সংগঠনসমূহৰ সৈতে সু-সম্পৰ্ক গঢ়ি তোলাৰ পাছত ভাৰতে বাংলাদেশৰ মাজেৰে উত্তৰ-পূব ভাৰতৰ সাগৰ সংযোগী পথ ব্যৱহাৰ আৰু ব্যৱসায়-বাণিজ্যৰ বাবে উপযোগী নহয় বুলি বিবেচনা কৰি ম্যানমাৰৰ মাজেৰে অঞ্চলটোক সাগৰৰ সৈতে সংযোগ কৰাৰ সিদ্ধান্ত লৈছে। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পটোত সেউজ সংকেত দিয়া চৰকাৰী বিশেষজ্ঞ সমিতিৰ কেইবাটাও পৰামৰ্শ কাৰ্যকৰী নকৰাকৈয়ে চলিত মাহতে উৎপাদন আৰম্ভ কৰিবৰ বাবে ৰাষ্ট্ৰীয় জলবিদ্যুৎ শক্তি নিগম তথা শক্তি মন্ত্ৰণালয় সাজু হোৱা বুলি এটা বাতৰি **দৈনিক অসম** কাকতে মুখ্য বাতৰিৰ স্থান দিছে। পাকিস্তানেৰে সংযোগ থকা ভুৱা ছিম চক্ৰৰ বিৰুদ্ধে দিল্লী, তেলেংগানা, ৰাজস্থান, গুৱাহাটী, ধুবুৰী, মৰিগাঁৱত অভিযান চলোৱাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে 'আৰক্ষীৰ জালত পৰিল ৭ চাইবাৰ জেহাদী' শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। বাতৰিটোক **অসমীয়া খবৰ, দৈনিক জনমভূমি** আৰু **আমাৰ অসম** কাকতেও মুখ্য বাতৰিৰ স্থান দিছে। কেন্দ্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি গুৱাহাটীত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ৩ লাখ ৭৬ হাজাৰৰো অধিক বাসগৃহৰ আবণ্টন জনোৱাৰ বাতৰিক **দা ছেণ্টিনেল** কাকতে মুখ্য বাতৰিৰ স্থান দিছে। বাতৰিটোক **দি আছাম ট্ৰিবিউন** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া ঘূৰি যাওঁ বাতৰিৰ মাজলৈ।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ ল লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা, মণিপুৰ, নাগালেণ্ড, মিজোৰাম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

oooooo

সমাপ্ত